# বৰ্তমান সময়ৰ গোষ্ঠীগত সংঘৰ্ষ আৰু নাৰী নিৰ্যাতন

*অমৃতা বৰা*

আৰম্ভণি ঃ

সৃষ্টিৰ আঁৰত পুৰুষ নাৰী উভয়ৰে সমান ভূমিকা আছে। নাৰীৰ অবিহনে পুৰুষ তথা পুৰুষ অবিহনে নাৰীৰ কোনো অস্তিত্ব থাকিব নোৱাৰে। অথচ আমাৰ সমাজত নাৰীক পুৰুষতকৈ তলত স্থান দিয়া হয়। বৰ্তমান একবিংশ শতিকাতো মানৱ সমাজত নাৰীৰ স্থান পুৰুষতকৈ তলত বুলি ভবা মূল্যবোধৰ কোনো পৰিৱৰ্তন হোৱা নাই। বুৰঞ্জীৰ পাত লুটিয়াই চালে আমি দেখিবলৈ পাওঁ যে, বিভিন্ন সময়ত ঠাই বিশেষে পিতৃতান্ত্ৰিক সমাজত নাৰীৰ ওপৰত বিভিন্ন ধৰণেৰে নিৰ্যাতন চলাই অহা হৈছে। আমাৰ দেশ ভাৰতবৰ্ষৰ বুৰঞ্জীৰ পাত লুটিয়াই চালেই দেখা যায় যে, প্ৰাচীন আৰু মধ্যযুগৰ ভাৰতত বাল্যবিবাহ, বহু বিবাহ, সতীদাহ প্ৰথা, পৰ্দাপ্ৰথা, স্ত্ৰী শিক্ষাৰ প্ৰতি অৱহেলা, ইত্যাদিবোৰে নাৰীৰ স্থান সমাজত অৱনমিত কৰিছিল। বৰ্তমান সময়তো নাৰী বিভিন্ন ধৰণেৰে নিৰ্যাতিত হৈয়ে আছে। ধৰ্ষণ, যৌতুক প্ৰথা, ঘৰুৱা হিংসা, ডাইনী প্ৰথাৰ বলি হৈ সমগ্ৰ বিশ্বতে হাজাৰ হাজাৰ মহিলাই প্ৰাণ হেৰুৱাব লগা হৈছে। নেশ্যনেল ক্ৰাইম ৰেকৰ্ডছে প্ৰকাশ কৰিছে যে ২০১৪ বৰ্ষত আমাৰ দেশ ভাৰতত ৩,৩৭,৯২২ টা নাৰী নিৰ্যাতনৰ ঘটনা সংঘটিত হৈছে। উত্তৰ প্ৰদেশত নাৰী নিৰ্যাতনৰ ঘটনা সংঘটিত হোৱাৰ পৰিমাণ আটাইতকৈ বেছি। যৌতুক প্ৰথা, ধৰ্ষণ, ঘৰুৱা হিংসা আদিৰ বলিহৈ নিৰ্যাতিত হোৱাৰ উপৰিও গোষ্ঠীগত সংঘৰ্ষবোৰৰ বাবেও নাৰী বিভিন্ন সময়ত ঠাই ভেদে নিৰ্যাতনৰ বলি হ'ব লগা হৈছে। এনে সংঘৰ্ষবোৰৰ সময়ত নিৰ্যাতনৰ বলি হোৱা মহিলাৰ সংখ্যাই সৰ্বাধিক। এই গৱেষণা পত্ৰত বিংশ আৰু একবিংশ শতিকাত সংঘটিত হোৱা কিছুমান গোষ্ঠীগত সংঘৰ্ষৰ ফলত কেনেদৰে নাৰী নিৰ্যাতনৰ বলি হ'বলগীয়া হৈছিল সেই সম্পৰ্কে আলোচনা ও মূল্যায়ন কৰা হৈছে।

আলোচনাঃ

**গোষ্ঠীগত সংঘৰ্ষ আৰু নাৰী নিৰ্যাতন ঃ**

কোনো সামাজিক অৰ্থনৈতিক, ৰাজনৈতিক, ধৰ্মীয় অথবা কোনো ব্যক্তিগত কাৰণৰ বাবে দুটা বা তাতোধিক সাম্প্ৰদায়িক গোষ্ঠী বা জনজাতীয় গোষ্ঠীৰ মাজত সংঘৰ্ষৰ সৃষ্টি হোৱাকে গোষ্ঠীগত সংঘৰ্ষ বুলি কোৱা হয়। এনেবোৰ সংঘৰ্ষই নিৰীহ নৰ-নাৰীৰ প্ৰাণৰ হানি কৰে। বহুলোক গৃহহাৰা হ'বলগীয়া হয়। নাৰী আৰু কণমানি শিশুসকল গোষ্ঠীগত সংঘৰ্ষৰ সময়ত বেছিকৈ শাৰীৰিক আৰু মানসিক উভয়ভাৱে

নির্যাতনৰ বলি হোৱা দেখা যায়। তলত কিছুমান গোষ্ঠীগত সংঘৰ্ষৰ ঘটনা সম্পৰ্কে আলোচনা কৰা হৈছে, য'ত একাংশ নাৰী অমানৱীয় নির্যাতনৰ বলি হ'ব লগা হৈছিল।

**ৰোৱাণ্ডা (Rwanda) ৰ গোষ্ঠীগত সংঘৰ্ষ আৰু নাৰী নির্যাতনঃ**

ৰোৱাণ্ডা আফ্রিকাৰ এখন সৰু দেশ। ১৯৯৪ চনত ইয়াত হুটু জনগোষ্ঠী আৰু টুটচি গোষ্ঠীৰ মাজত সংঘৰ্ষৰ সৃষ্টি হৈছিল। এই সংঘৰ্ষৰ সময়ত দুয়োটা জনগোষ্ঠীৰ শ শ মহিলা গণধৰ্ষণৰ বলি হ'বলগা হৈছিল। তদুপৰি নাৰীৰ যৌনাঙ্গ ছেদন, দেহত এচিড ঢলা, জ্বলাই দিয়া - এইবোৰ সাধাৰণ ঘটনাত পৰিণত হৈছিল। গণধৰ্ষণৰ পিছত বেছিভাগ নাৰীকে গাত জুই লগাই হত্যা কৰা হৈছিল। সংঘৰ্ষটোৰ পিছত নির্যাতনৰ বলি হোৱা নাৰীবোৰে নানান শাৰীৰিক আৰু মানসিক ভাৰসাম্যহীনতাৰ সমস্যাত ভুগিছিল। ধৰ্ষণৰ পিছত অৱাঞ্চিত গৰ্ভধাৰণ, অৱাঞ্চিত সন্তান জন্ম, গৰ্ভনষ্ট, এইডচৰ দৰে ৰোগৰ সংক্রমণ ইত্যাদি সমস্যাবোৰত দুয়োটা সম্প্রদায়ৰে নাৰীসকল ভুক্তভোগী হ'বলগা হৈছিল। Shattered Lives: Sexual Violence during Rwandan Genocide and its Aftermath নামৰ গ্রন্থত কেনেদৰে নাৰীক অমানবীয় যৌন নির্যাতন চলোৱা হৈছিল, সেই সম্পৰ্কে কেবাগৰাকী নির্যাতিতাৰ ভাষ্য লিপিবদ্ধ কৰা হৈছে।[1]

**বচনিয়াৰ গোষ্ঠীগতসংঘৰ্ষ আৰু নাৰী নির্যাতনঃ**

১৯৯২ চনত; বচনিয়াৰ চাৰ্বফৰ্চে বচনিয়াৰ মুছলিম সাম্প্রদায়িক গোষ্ঠীৰ ওপৰত যি নির্যাতন চলাইছিল, সেই নির্যাতনৰ সময়ত মুছলিম সাম্প্রদায়িক গোষ্ঠীক বচনিয়াৰ পৰা নির্মূল কৰিবলৈ নাৰীক ধৰ্ষণ কৰা কাৰ্য্যটোকএকেকৌশল হিচাপেলোৱা হৈছিল। নাৰীক ধৰ্ষণ কৰা কাৰ্য্যই সমগ্র জাতিটোকে অপমানিত কৰে। যাতে অপমানৰ বলিহৈ মুছলিম সাম্প্রদায়িক গোষ্ঠী পুনৰ উভতি নাহে তাৰ বাবেই এই পন্থা লোৱা হৈছিল। প্রায় ২০,০০০ ৰ.পৰা ৫০,০০০ কিশোৰী, যুৱতী আৰু মহিলাকধৰ্ষণ কৰা হৈছিল। ধৰ্ষণকাৰী সকলৰ উদ্দেশ্যই আছিল, "To plant the seeds of serbs in Bosnia" অৰ্থাৎ বচনিয়াত চাৰ্বসকলৰ সতি-সন্ততিৰ বীজ ৰোপন কৰা। বচনিয়াৰ ধৰ্ষণৰ ঘটনাবোৰে নাৰীৰ শাৰীৰিক তথা মানসিক স্বাস্থ্যৰ ওপৰত দীৰ্ঘদিনৰ বাবে বিৰূপ প্ৰভাৱ পেলাইছিল।[২]

**চুডানৰ সংঘৰ্ষ আৰু নাৰী নির্যাতন ঃ**

চুডানৰ ডাৰ্ফুৰত (Darfur) ২০০৩ চনত যি সংঘৰ্ষই দেখা দিছিল, সেই সংঘৰ্ষতো নাৰীসকলে অমানৱীয় নির্যাতনৰ সন্মুখীন হ'বলগা হৈছিল। ডাৰ্ফুৰৰ কৃষ্ণবৰ্ণৰ নিগ্রোসকলৰ বিৰুদ্ধে তাত জাতিহত্যা কাৰ্যৰ সূচনা হৈছিল। Fut, Maslit, Zaghuw ইত্যাদি নিগ্রো জনগোষ্ঠীবোৰৰ নির্যাতনত ভাগ লৈছিল চুডানৰ চৰকাৰী ফৌজ আৰু জাঞ্জাবিদ নামৰ দলটোৱে। জাঞ্জাবিদ দলটো চুডানৰ আৰব জাতিৰ সৈন্যৰে গঠিত হৈছিল। এই সংঘৰ্ষটোৰ উদ্দেশ্য আছিল আৰব জাতি নোহোৱাসকলক খেদি পঠোৱা। মহিলাক যৌন নির্যাতন কৰাটোক অস্ত্র হিচাপে লোৱা হৈছিল। উল্লেখিত জাতিবোৰৰ নাৰীসকলক দলবদ্ধ ধৰ্ষণৰ সন্মুখীন হৈছিল। আনকি পাঁচবছৰীয়া কন্যাশিশুও যৌন নির্যাতনৰ পৰা হাত সাৰি যাব পৰা নাছিল। ধৰ্ষণৰ প্রতিবাদ কৰা নাৰীসকলক হত্যা কৰা হৈছিল। গৃহহাৰা লোকসকলে যিবোৰ আশ্রয় শিবিৰত আশ্রয় গ্রহণ

কৰিছিল, তাতো নাৰীৰ অধিকাৰ সমূলিখৰ্ব হৈছিল। সংঘৰ্ষৰ পিছতো ধৰ্ষণৰ বলি হোৱা নাৰীসকলক তেওঁলোকৰ স্বামীয়ে গ্ৰহণ কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰাৰ কথা Ammenesty International (NGO) ৰ তথ্যতপোৱা যায়। ধৰ্ষণৰ বলি হোৱা অবিবাহিতা মহিলাসকলক সমাজে নষ্ট সামগ্ৰী বুলিগণ্য কৰিছিল আৰু তেওঁলোকক ঘৰৰ পৰা বহিস্কাৰ কৰি দিছিল।[৩]

ভাৰতৰ স্বাধীনতাৰ সময়তগোষ্ঠীগতসংঘৰ্ষ আৰু নাৰী নিৰ্যাতনঃ

১৯৪৭ চনত আগষ্ট মাহত ভাৰত দ্বি-খণ্ডিতহৈ ভাৰত আৰু পাকিস্তান নামেৰে দুখন দেশৰ সৃষ্টি হয়। বিভাজনৰ সময়ত হিন্দু আৰু মুছলমানৰ মাজত যি সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টি হৈছিল সেই সংঘৰ্ষত নাৰীসকলো নিৰ্যাতিতা হ'বলগা হৈছিল। সহস্ৰাধিক মহিলা অপহৰণ আৰু ধৰ্ষণৰ বলিহ'বলগা হৈছিল। বহুত মহিলাক তেওঁলোকৰ অনিচ্ছাসত্বেও নিৰ্যাতন কাৰীয়ে বিয়াত বহিবলৈ বা বেশ্যাবৃত্তি গ্ৰহণ কৰিবলৈ বাধ্য কৰাইছিল। নাৰীক ধৰ্মান্তৰকৰণ কৰিবলৈ বাধ্য কৰোৱা হৈছিল। এই সময়চোৱাত কিশোৰী, যুৱতী আৰু মহিলা এই সকলোকে তেওঁলোকৰ পিতৃ, ভাতৃ, স্বামী তথা অন্যান্য আত্মীয় স্বজনে আত্মহত্যা কৰিবলৈ উচতনি দিছিল, যাতে বংশ পৰিয়ালৰ সন্মান অটুট থাকে। বহুতো যুৱতী-নাৰীয়ে নিৰ্যাতনৰ হাত সাৰিবলৈ গৈ নিজেও আত্মহত্যা কৰিছিল। ভাৰত চৰকাৰে মূল্যায়ন কৰা মতে ৮৩,০০০ নাৰী আৰু যুৱতীক পলুৱাই নি ধৰ্ষণ কৰা হৈছিল। Urvashi Butalia ৰ বিখ্যাত "The other side of Silence - Voices from the Partition of India ত ভাৰত-পাক বিভাজনৰ সময়ত হোৱা নাৰী নিৰ্যাতনৰ কথা জনা যায়।[৪]

**গুজৰাটৰ দ্বন্দ্ব (২০০২) আৰু নাৰী নিৰ্যাতন ঃ**

২০০২ চনৰ ফেব্ৰুৱাৰী মাহত গোধৰা ষ্টেচনত এখন ট্ৰেইন জ্বলোৱাক লৈ এই সংঘৰ্ষৰ সূচনা হৈছিল। ট্ৰেইনখন জ্বলোৱাৰ ফলত ৫৮জন হিন্দু তীৰ্থ যাত্ৰীৰ মৃত্যু হয়। এই ঘটনাই আহমদাবাদৰ সংখ্যা লঘিষ্ঠ মুছলমানসকল আৰু সংখ্যাগৰিষ্ঠ হিন্দুসকলৰ মাজত সংঘৰ্ষৰ সৃষ্টি কৰে। এই সংঘৰ্ষত বহুতো নাৰী নিৰ্যাতনৰ ঘটনা সংঘঠিত হৈছিল। প্ৰায় শতাধিক মহিলাক ধৰ্ষণ কৰি জ্বলাই দিয়া হৈছিল। গৰ্ভৱতী মহিলাৰ নাড়ী-ভুঁৰু উলিয়াই পেলোৱা হৈছিল। নাৰীক বিবস্ত্ৰ কৰা, এচিড ঢলা, প্ৰহাৰ কৰা ইত্যাদি ঘটনা সংঘটিত হৈছিল। উভয় গোষ্ঠীৰ মহিলাই নিৰ্যাতনৰ বলি হ'বলগা হৈছিল।[৫]

বড়োলেণ্ডৰ গোষ্ঠীগত সংঘৰ্ষ আৰু নাৰী নিৰ্যাতনঃ

দুটা দশকৰ ভিতৰত অসমৰ বড়োলেণ্ডত পাঁচবাৰতকৈ অধিক গোষ্ঠীগত সংঘৰ্ষ সংঘটিত হৈছে। ২০০২ চনত গোষ্ঠীগত সংঘৰ্ষ সংঘটিত হৈছিল বড়ো আৰু বড়োলেণ্ডৰ বঙালী মুছলিমসকলৰ মাজত। সংঘৰ্ষৰ সূচনা হৈছিল কোকৰাঝাৰ ধুবুৰী আৰু চিৰাঙত। এই সংঘৰ্ষত নিৰীহ নৰ-নাৰীয়ে প্ৰাণ হেৰুৱাব লগা হৈছিল। IDP (Internally Displaced People) ৰ শিবিৰবোৰতো নাৰীৰ অধিকাৰ খৰ্ব হোৱাৰ কথা জনা যায়। গোষ্ঠীগত সংঘৰ্ষৰ সময়ত গৰ্ভৱতী মহিলা, সন্তানক দুগ্ধপান কৰোৱা মাতৃ, কিশোৰী, যুৱতী ইত্যাদি সকলোৰে অধিকাৰ খৰ্ব হৈছিল। গৰ্ভৱতী মহিলাই মুকলি ঠাইত (ত্ৰিপাল)ত সন্তান জন্ম দিবলগীয়া ঘটনাও IDP Camp বোৰত সংঘটিত হৈছিল।

ওপৰত উল্লেখ কৰা ঘটনাবোৰ গোষ্ঠীগত সংঘৰ্ষৰ সময়ত নাৰী কিদৰে নিৰ্যাতিত হ'বলগীয়া হয়, তাৰ কিছুমান উদাহৰণহে মাত্ৰ। গোষ্ঠীগত সংঘৰ্ষৰ সময়ত নাৰী নিৰ্যাতনৰ এনে অসংখ্য উদাহৰণ পোৱা যায়। নানকিং সংঘৰ্ষৰ সময়ত জাপানী সৈন্যৰ চীনা মহিলাৰ ওপৰত নিৰ্যাতন, বাংলাদেশৰ স্বাধীনতা যুদ্ধৰ সময়ত নাৰী নিৰ্যাতন, ইজৰাইল-পেলেষ্টাইনৰ সংঘৰ্ষত নাৰী নিৰ্যাতন ইত্যাদিবোৰত হাজাৰ হাজাৰ মহিলা ভুক্তভোগী হ'বলগা হৈছিল।[৬]

মূল্যায়নঃ

গোষ্ঠীগত সংঘৰ্ষৰ সময়ত ঘটা নাৰী নিৰ্যাতনৰ ঘটনাবোৰক আমি দুটা ভাগত আলোচনা কৰিব পাৰো। সংঘৰ্ষৰ সময়ত নাৰী নিৰ্যাতন আৰু সংঘৰ্ষৰ পিছত নাৰী নিৰ্যাতন। গোষ্ঠীগত সংঘৰ্ষবোৰত নাৰীক আক্ৰমণৰ কেন্দ্ৰবিন্দু কৰি লোৱা হয়। কিয়নো নাৰীক অপমান কৰা মানেই গোটেই জাতিটোক অপমান কৰা। সেয়ে ধৰ্ষণ, নাৰীক প্ৰহাৰ কৰা বা জ্বলাই দিয়া ঘটনাবোৰক যুদ্ধৰ অস্ত্ৰ হিচাপে গ্ৰহণ কৰা হয়। যিসকল নাৰীয়ে নিৰ্যাতনৰ বিৰোধিতা কৰে, তেওঁলোকক বৰ্বৰ ভাৱে হত্যা কৰা হয়। সংঘৰ্ষৰ সময়ত গৃহহাৰা হোৱাৰ বাবে, তথা নিজৰ আত্মীয় স্বজনক হেৰুৱাবলগীয়া হোৱাৰ বাবে নাৰীয়ে এনেও অসুৰক্ষিত অনুভৱ কৰে। তেনেস্থলত নাৰী ধৰ্ষণবা অন্যান্য ধৰণৰ শাৰীৰিক নিৰ্যাতনৰ সন্মুখীন হ'বলগা হ'লে শাৰীৰিক আৰু মানসিক ভাৰসাম্যহীনতা হেৰুৱাবলগা হয়। ৰোৱাণ্ডা, বচনিয়াৰ গোষ্ঠীগত সংঘৰ্ষবোৰলৈ মন কৰিলেই দেখা যায়, কেনেদৰে নাৰীক অমানৱীয় ব্যৱহাৰ কৰা হৈছিল। আনকি গৰ্ভৱতী মহিলা শিশুকন্যাও নিৰ্যাতনৰ পৰা সাৰি যাব পৰা নাছিল।

ধৰ্ষণ, নাৰীক বেশ্যাবৃত্তিত নামিবলৈ বাধ্য কৰোৱা, এইবোৰৰ অন্যান্য কিছুমান ঋনাত্মক দিশ থকাও দেখা যায়। বচনিয়াৰ সংঘৰ্ষৰ সময়ত বহুতো নাৰীয়ে অৱাঞ্চিত গৰ্ভধাৰণ কৰি সন্তান জন্ম দিবলগীয়া হৈছিল। তেওঁলোকৰ অন্তৰ তেনে অৱাঞ্চিত সন্তানৰ প্ৰতি ঘৃণাৰেহে ভৰি পৰিছিল। বহুতো মহিলাই অৱাঞ্চিত গৰ্ভধাৰণ কৰি মৃত্যুমুখতো পৰিবলগীয়া হৈছিল আৰু বহুতৰ শাৰীৰিক অৱনতি ঘটিছিল। এইডচ্ আৰু অন্যান্য যৌন ৰোগতো নাৰীসকল ভুগিবলগীয়া হৈছিল। যৌন নিৰ্যাতনৰ বলি হোৱা নাৰীসকলক পৰিয়ালৰ লোক তথা সমাজে হীন চকুৰে চোৱাৰ তথ্যও গ্ৰন্থসমূহত পোৱা যায়। সংঘৰ্ষৰ পিছতো IDP শিবিৰবোৰত নাৰীয়ে অসুৰক্ষিতভাৱে জীৱন-যাপন কৰিব লগা হয়। এনে আশ্ৰয় শিবিৰবোৰতো নাৰী যৌন নিৰ্যাতনৰ বলি হ'বলগীয়া হয়। আশ্ৰয় শিবিৰবোৰত গৰ্ভৱতী মহিলা, কিশোৰী, যুৱতী এই সকলোৰেই অনবৰতে মানসিক চাপত থাকিবলগীয়া হৈছিল। তেওঁলোকৰ বিভিন্ন অধিকাৰ যেনে— শিক্ষা, চিকিৎসা, মানৱ অধিকাৰ আদি খৰ্ব হোৱা দেখা যায়।

গোষ্ঠীগত সংঘৰ্ষৰ সময়ত নাৰী নিৰ্যাতনৰ ঘটনাৰ তথ্য -

| | সংঘৰ্ষ | আনুমানিক ধৰ্ষণৰ ঘটনা |
|---|---|---|
| ১) | বাংলাদেশৰ স্বাধীনতা যুদ্ধ (১৯৭১) | ২,০০,০০০ - ৪,০০,০০০ |
| ২) | বচনিয়াৰ যুদ্ধ (১৯৯২-৯৫) | ৬০,০০০ |
| ৩) | ৰোৱাণ্ডাৰ জাতিহত্যা (১৯৪) | ১,০০,০০০-২,৫০,০০০ |

| | | |
|---|---|---|
| ৪) | চিৰিয়া লেবানন গৃহযুদ্ধ (১৯৯১-২০০২) | ৬০,০০০ |
| ৫) | ৰিপাব্লিক অব দা কঙ্গো (১৯৯৮) | ২,০০,০০০ |
| ৬) | লাইবেৰিয়া (১৯৮৯-২০০৩) | ৪০,০০০ |
| ৭) | নানকিং সংঘৰ্ষ (১৯৩৭) | ২০,০০০ |

উৎসঃ ইন্টাৰনেটৰ তথ্য অনুসৰি

সামৰণি ঃ

গোষ্ঠীগত সংঘৰ্ষত অলেখ নৰ নাৰীয়ে প্ৰাণ হেৰুৱাই আৰু বহুলোক গৃহহীন হ'বলগীয়া হয়। ইতিহাসৰ পাতত গোষ্ঠীগত সংঘৰ্ষৰ অলেখ উদাহৰণ পোৱা যায়। অৱশ্যে এনে সংঘৰ্ষবোৰত নাৰীয়ে কেনেধৰণৰ পৰিস্থিতিৰ বা নিৰ্যাতনবোৰ সন্মুখীন হ'বলগা হয়, সেই সম্পৰ্কে বহু তথ্যই অপ্ৰকাশিত হৈয়ে ৰয়। বৰ্তমান সময়ত সংবাদ মাধ্যমবোৰেও সংঘৰ্ষৰ সামগ্ৰিক বাতৰি পৰিবেশনতহে গুৰুত্ব দিয়ে। সমাজত অপমানিত হোৱাৰ ভয়তবহু নাৰীয়েও সকলো তথ্য প্ৰকাশ কৰিব নিবিচাৰে।

গোষ্ঠীগত সংঘৰ্ষৰ সময়ত নাৰী নিৰ্যাতনক যুদ্ধৰ কৌশল হিচাপে গ্ৰহণ কৰাটো কোনোপধ্যেই গ্ৰহণযোগ্য হ'ব নোৱাৰে। অন্যএটা জাতিৰ ওপৰত প্ৰতিশোধলবলৈ গৈ নাৰীক ধৰ্ষণ কৰা, প্ৰহাৰ কৰা, গাত এচিড ঢলা, জ্বলাই দিয়া বা হত্যা কৰা ইত্যাদি বিকৃত মানসিকতাৰ পৰিচায়ক। এনে নিৰ্যাতনকাৰীৰ বিৰুদ্ধে কঠোৰ আইন বলবৎ কৰা উচিত। গোষ্ঠীগত সংঘৰ্ষৰ সময়ত নাৰী নিৰ্যাতনৰ ঘটনাবোৰৰ ওপৰত আৰু ইয়াৰ প্ৰভাৱ সম্পৰ্কে অধিক আলোচনাৰ প্ৰয়োজন আছে। শিক্ষিত সমাজে এনেধৰণৰ নাৰী নিৰ্যাতনৰ প্ৰতি সচেতন হৈ সমাজৰ পৰা এই বিকৃতিবোৰ আঁতৰাবলৈ যত্নপৰ হোৱা উচিত।

পাদটীকা


BinaiferNowrojee (et.al), Shattered Lives: Sexual Violence During the Rowandan Genocide and its Aftermath, Human Rights Watch, 1996.

Lindsey Crider, Rape as a War Crime and Crime against Humanity(Research Paper), page 18-22 from www.cla.auburn.edu

Lori Poloni Staudinger (et.al), Terrorism and Violent Conflict - Women's agency, leadership and Responses, Springer Publication, New York 2013, pp. 26-30

UrvashiButalia, The Other Side of Silence - Voices from the Partition of India, Penguin, U.K. 2000

A Feminist Analysis of the Genocide in Gujarat (Report) by the International Initiative for Justice from www.onlinevolunteers.org

Sanalimbi Devi, Women in Bodoland after Ethnic Conflict (Research Paper) from www.merg.ac.in